৫) Gupta, P. K. (2005), Population Education, Meerut : R. Lall Book Depot,
৬) Kapoor & Kapoor (2013). Population Education. Guwahati : EBH Publishers.
৭) Nanda S. K. (2002). Population Education-An Informative Update. Delhi : Doaba House.
৮) Rao, V. K. (2001). Population. Delhi : A. P. H. Publishing Corporation.



৫.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সৰু পৰিয়ালৰ আদর্শই শিশুৰ সংখ্যা নিয়ন্ত্রণ কৰাকে বুজায়। আদর্শ পৰিয়ালৰ আকাৰত জন্মৰ হাৰ আৰু পৰিয়াল নিয়ন্ত্রণৰ পদ্ধতিয়ে বৃহৎ প্রভাৱ বিস্তাৰ কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ ১৯৫১ চনৰ পৰা আৰম্ভ হোৱা পঞ্চবার্ষিক পৰিকল্পনাত ১৯৫২ চনত পোন প্রথমবাৰৰ বাবে ভাৰতবর্ষত জনসংখ্যাৰ নীতি গ্রহণ কৰা হৈছিল। ১৯৫১ চনৰ পৰা ১৯৫৬ চনৰ প্রথম পঞ্চবার্ষিক পৰিকল্পনাত পৰিকল্পনা আয়োগে স্বীকৃতি প্রদান কৰিছিল যে জনসংখ্যা নীতি প্রয়োজনীয় আৰু আইনৰ দৃষ্টিত পৰিয়াল পৰিকল্পনা এক গুৰুত্বপূর্ণ দিশ হিচাপে চিহ্নিত হৈছে। সেয়ে কেন্দ্রীয় চৰকাৰে পৰিয়াল পৰিকল্পনাৰ বাবে ১০০% অনুদান আগবঢ়াইছিল। পৰৱর্তী পাঁচ বছৰ অর্থাৎ ১৯৫৬ চনৰ পৰা ১৯৬১ চনৰ সময়ছোৱাত বন্ধ্যাকৰণ পদ্ধতিৰ ওপৰত গুৰুত্ব দিয়া হৈছিল আৰু পৰৱর্তী পাঁচ বছৰত পৰিয়াল পৰিকল্পনাৰ আচনিবোৰক ৰাষ্ট্রীয় স্বীকৃতি প্রদান কৰা হৈছিল। ১৯৬৬ চনত সৰু পৰিয়ালৰ আদর্শ নামৰ নতুন জনসংখ্যা নীতিৰ ব্যৱস্থাপনা কৰিবৰ বৰে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্র্যালয় গঠন কৰা হৈছিল যিয়ে পৰিয়ালত দুটা সন্তান থকা নীতিক উৎসাহিত কৰা হৈছিল।

৩ নং প্রশ্নৰ উত্তৰ ঃ সৰু পৰিয়াল আদর্শৰ মূল মন্ত্র হ'ল কোনো এখন বিশেষ দেশৰ জনসংখ্যা নিয়ন্ত্রণ কৰা।

৪ নং প্রশ্নৰ উত্তৰ ঃ পৰিয়ালৰ পিতৃৰ বাবে সৰু পৰিয়ালৰ আদর্শৰ সুবিধাবোৰ হ'ল —

- পিতৃয়ে শিশুক উপযুক্ত শিক্ষা, আৱাম, খাদ্য, বস্ত্র আৰু বিনোদন প্রদান কৰিব পাৰে।
- তেওঁ অধিক সন্তোষ আৰু ভাল স্বাস্থ্য উপভোগ কৰিব পাৰে।
- তেওঁ জীৱন ধাৰণ, উপযুক্ত স্বাস্থ্য আৰু জীৱনৰ গুণমান বিকশাই তুলিব পাৰে।

৫ নং প্রশ্নৰ উত্তৰ ঃ সৰু পৰিয়ালৰ আদর্শৰ বিভিন্ন বিনোদনমূলক বাধাবোৰ হ'ল—

- বিনোদনৰ উপায়ৰ সুবিধা ঃ এক নিদিষ্ট পৰিমাণৰ লোক বছৰ বছৰ ধৰি উপযুক্ত

বিনোদনৰ সুবিধাৰ পৰা বঞ্চিত হৈ আহিছে। ইয়াৰ বাবে যৌন সম্ভোগক তেওঁলোকে বিনোদনৰ উপায় স্বৰূপে গণ্য কৰে আৰু সৰু পৰিয়ালৰ আদর্শৰ ধাৰণা বিফল কৰি তোলে।

- অধিক আজৰি সময় ঃ প্রায় ৭০% ভাৰতীয় জনসাধাৰণৰ প্রধান বৃত্তি হয় কৃষি। কৃষিয়ে ব্যক্তিক গোটেই বছৰ জুৰি নিয়োগৰ সুবিধা প্রদান কৰিব নোৱাৰে। সেয়েহে ব্যক্তিৰ হাতত অফুৰন্ত আজৰি সময় থাকে। তেওঁলোকে আজৰি সময় অতিবাহিত কৰাৰ আটাইতকৈ সহজ উপায় হ'ল যৌন সম্ভোগ কৰা যিয়ে বৃহৎ পৰিয়াল গঠনত অৰিহণা যোগায়।



৫.১০ আৰ্হি প্রশ্ন

ক) অতি চমু প্রশ্ন

প্রশ্ন ১ ঃ সৰু পৰিয়ালৰ আদর্শ মানে কি ?

প্রশ্ন ২ ঃ সমাজৰ বাবে সৰু পৰিয়ালৰ আদর্শৰ এটা সুবিধা উল্লেখ কৰা।

প্রশ্ন ৩ ঃ সৰু পৰিয়ালৰ আদর্শৰ এটা জনগাঁথনিক বাধা উল্লেখ কৰা

খ) চমু প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ সৰু পৰিয়ালৰ আদর্শৰ প্রকৃতিৰ ওপৰত এটা টোকা লিখা।

প্রশ্ন ২ ঃ সৰু পৰিয়ালৰ আদর্শৰ শৈক্ষিক বাধাবোৰ কি কি?

প্রশ্ন ৩ ঃ সৰু পৰিয়ালৰ আদর্শৰ বাধাবোৰ আতৰ কৰাৰ বাবে চৰকাৰৰ পদক্ষেপসমূহ কি কি?

গ) দীঘল প্রশ্ন (৩০০—৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ আপোনাৰ মতে বর্তমানেও ভাৰতবর্ষই কিয় সৰু পৰিয়ালৰ আদর্শৰ সপোন বাস্তৱায়িত কৰিব পৰা নাই?

প্রশ্ন ২ ঃ সৰু পৰিয়ালৰ আদর্শৰ সুবিধাবোৰ আলোচনা কৰা।

প্রশ্ন ৩ ঃ ভাৰতৰ প্রেক্ষাপটত সৰু পৰিয়ালৰ আদর্শৰ ওপৰত এখন ৰছনা লিখা।

*** ***** ***